
# ধৰ্ষিতা যৌৱন

শ্ৰীৰঞ্জিত কুমাৰ বাভা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

আকৌ এদিন আহিল বসন্ত, ঋতু
কিন্তু ঘূৰি নাহিল মোৰ যৌৱন
বৰ্তমান প্ৰতিটো মুহূৰ্ত্তত ধৰ্ষিতা তাই !
জনাৰণ্যত তাই এতিয়া অচিন বাটকৰুৱা !
চৌদিশৰ পৰা ভাহি আহে
কেৱল আলিঙ্গনৰ প্ৰস্তাৱ ;
তাইৰ আগে পিছে ঠিয় দিয়ে
কিছুমান কামুক নাঙঠ ছাঁয়ামূৰ্ত্তি !
প্ৰতিটো মুহূৰ্ত্তত তাইৰ কোমল দেহ আজি
উলঙ্গ,
হেঁপাহ পলুৱাই ক্ষুধা নিবাৰণ কৰে
অনৰ্গল ক্ষুধাৰ্ত প্ৰাণৰ।
ভাঙি চিঙি চুৰমাৰ কৰি যায়
তাইৰ হৃদয় ফুলনিৰ
নানা ৰঙী ফুলবোৰ।
প্ৰতিটো পল অনুপলে
তাইক শঙ্কাকুল কৰি তোলে
এক অজান স্পৰ্শই !
প্ৰিয়জনৰ পৰা আঁতৰত ৰখাৰ বাবে
তাই হেনো ক্ৰোধত ক্ৰোধান্বিত !
কাৰণ —
তাই মোক প্ৰতিশ্ৰুতি দিছিল
প্ৰতিটো বসন্তত মোৰ মনৰ গভীৰ
নিৰ্জন বনলৈ আহিম বুলি । ❑



# সময়

শ্ৰীপংকজ কলিতা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

মই দৌৰিছো
    প্ৰাণ পণে
সময়ৰ প্ৰতিটো মুহূৰ্ততেই
ক্লান্তিবিহীন ভাৱে
    মই দৌৰিছোঁ।
হঠাৎ
    কিহবাত উজুটি খাই
    মই বাগৰি পৰিলোঁ,
    আৰু
    সংজ্ঞা হেৰুৱাই
        পৰি ৰ'লোঁ।
    জ্ঞান পাই চকু মেলি
        দেখিলোঁ
    সময়
        মোৰ কাষৰ পৰা
        বহু আঁতৰত,
            এতিয়া দৌৰিবৰ
            শক্তি সামৰ্থ
                আৰু মানসিকতা
                মোৰ নাই।
            পৰি ৰ'লোঁ মই
                এটি অন্ধকাৰময়
                    গাঁতত
                গৈ থকা
                    সময়লৈ চাই। ❑


# অমৰ সৃষ্টি


মিচ্ অনিতা ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

(সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত
হিতেশ ডেকাৰ সোঁৱৰণত)

তুমিতো অকল নোহোৱা আজিৰ
তুমি আগত দিনৰ
উদ্ভাসিত আলোক
তোমাৰ সৃষ্টিৰ শলিতা
যুগে যুগে উজ্বলি উঠিব
অনাগত সৃষ্টিৰ দ্বাৰ উন্মোচন কৰোঁতা
সাধক তপস্বী সাহিত্যৰ

তোমাৰ চিন্তাত প্ৰকাশে বিদ্যুতৰ আভা
অৰুণৰ হেঙুলী কিৰণ তোমাৰ দৃষ্টি
তুমিয়ে কৰিলা যুগ যুগান্তৰৰ
বেদীত হোমানল সৃষ্টি
তুমিয়ে দিলা মানসী বিলত চিৰদিন
ফুলি থকাৰ প্ৰতিশ্ৰুতি
দুৰন্ত বতাহেও নোৱাৰে নুমাব
তোমাৰ কীৰ্ত্তিৰ সবিতা। ❑





# এটি গীত


মিচ্ মৰমী কলিতা
উঃমাঃ ১ম বৰ্ষ (কলা)

আকৌ আহিবানে তুমি
দুবৰিত নিয়ৰৰ মুকুতা
চাবানে জুমি॥
এদিন আমি উমলি আছিলোঁ
শৰতৰ শেৱালিৰে মালা গাঠিছিলোঁ
আজিও কিয় মনত পৰে
ভয় লাগে আঁউসীৰ এন্ধাৰ
আমনি কৰে বাৰে বাৰে
জোনাকী নিশাৰ সুবাস সানি
উভতি আহিবানে তুমি॥
তুমি আছানে অচিন সৰগত
চোৱা নেকি তুমি তাৰেই পৰা
কেতিয়াবা পৰিলে মনত
মই বৈ আছোঁ পদূলিত
শুভ লগনৰ পল গণি
সেই কথা জানো নেজানা তুমি ॥ ❑

# মৃত্যু

শ্রীকৌশিক কলিতা
উঃমাঃ ২য় বৰ্ষ (কলা)


মৃত্যু এক কায়াহীন ছাঁ
অবাধিত জীৱন্ত শকতি
অঘৰী হৈ ঘূৰি ফুৰে
প্ৰতিটো সত্তাৰ দুৱাৰে দুৱাৰে
কেতিয়াবা তাণ্ডৱ হৈ নাচে
মূৰৰ ওপৰত তৰোৱাল হৈ
কাবোবাক ভীত কৰি তোলে
কি আৰু কিয়
অন্তহীন প্ৰশ্নৰ জুমুৰি চিৰকাল
উত্তৰ বিচাৰি বিজ্ঞানে
বাট হেৰুৱায়
নিতে নিতে নতুন দৰ্শন
কুঁৱলীৰ জাল তৰি
মৃত্যু এক অনিবাৰ্য
শব্দহীন ত্ৰাস। ❑



# এটুকুৰা বগা কাগজে যেতিয়া...

শ্রীলাচিত দাস
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

এখিলা বগা কাগজে যেতিয়া
কঢ়িয়াই আনে জিল্‌মিল্
এবুকু আশা
প্ৰাণ ভৰি কয় প্ৰাণৰ কথা
কিযে অবুজ শিহঁৰণ জাগে
পশ্চিমৰ বেলিয়েও সেন্দুৰীয়া
ৰহন সানে
এখিলা বগা কাগজে যদি
কেতিয়াবা ডাৱৰৰ ছবি আঁকে
ক'লা ক'লা আখৰেৰে
জীৱনৰ ছবিকে আঁকে
হ'ব পাৰে সিয়ো এক
সুৰীয়া সোৱাদ। ❑




# ধুমুহা

শ্ৰীজগদীশ চন্দ্ৰ নাথ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

গোটেই নিশা জুৰি বৈ আছিল
চেঁচা ধুমুহা এজাক
আমি সোমাই আছিলোঁ
দুয়ো দুয়োৰে দৰদী
বুকুত
বুকুখন জোকাৰি দলিয়াই
পেলাইছিলোঁ অতীতৰ মৰহা
ছবি
তুমি আগবঢ়াই দিছিলা
এগালমান সুৱদি
চিঠি
চেঁচা ধুমুহাৰ মাজত আমি
উমাল কৰিছিলোঁ নিবিড়
ভালপোৱাক ❑







# দাপোন


মিচ্ ৰশ্মি ৰাভা
উঃমাঃ ২য় বৰ্ষ (কলা)

চোতালৰ দুবৰি ডৰাত
নিশাৰ চকুলো
জীৱনৰ স্মৃতিৰ মুকুতা
মোৰ মনৰ দাপোন
প্ৰতিটো পুৱাতে তাত উজ্বলি উঠে
প্ৰিয় নাইবা অপ্ৰিয় অলেখ
ছবি
আৰু মই ভালকৈয়ে জানো
কেতিয়াবা সেয়া বহুতৰ বাবে
নহয় আপোন
তথাপি দাপোন দাপোনেই
প্ৰত্যৰ্পিত দাপোন। ❑

# ড° ভূপেন হাজৰিকা সমীপেষু

শ্রীনিৰঞ্জন মহন্ত
প্ৰবক্তা, শিক্ষা বিভাগ

সুৰেবে সজোৱা গীতবে গধূলি
তোমাৰ সুৰেবে তোমাৰ ভাষাৰে
জনতাৰ মন মুহিলা তুমি ॥
অসমীৰ কোলাতে জনম লভিলা
অসমী আইকে জগতত থাপিলা
পোহৰাই তুলিলা মাতৃভূমি
আইৰ সুমহান সন্তান তুমি ॥
জ্যোতি-বিষ্ণু-শঙ্কৰৰ বৰণীয়া কৃষ্টি
জীয়াই ৰাখিলা সবাৰে সৃষ্টি
সমাদৰ যাচিলা মান্য জনক
উপহাৰ দিলা নতুন পুৰুষক।
সাৰ পাই উঠিছে আজিৰ সমাজ
তোমাৰ বিনয়ী বিপ্লৱী কণ্ঠ সাবটি
আহিছে ওলাই লুইত পাৰৰ অগ্ৰগামী
তোমাৰ শকতি তোমাৰ সৃষ্টি
চেনেহৰ এনাজৰী গঢ়িলা তুমি
তোমাৰ মহানতা তোমাৰ উদাৰতা
তুমি ব্যক্তি তুমি অনুষ্ঠান
চিৰ জ্যোতিষ্মান হ'লা যে তুমি
তোমালৈ ওলগ যাচিলোঁ আমি ॥ ❑




শ্রীকপিলী ৰাভা
উঃমাঃ ১ম বৰ্ষ (কলা)

যিদিনা তোমাক হঠাৎ দেখিলোঁ
অৱলীলা ক্ৰমে নিজকে এৰি দিলোঁ
তোমাৰ মায়াত
তুমি ভুল নুবুজিবা
তুমি খং নকৰিবা
মায়া শত্ৰুতাৰ বাবে
হ'ব নোৱাৰে
বন্ধুত্বৰ বাবে মোৰ হাত
প্ৰসাৰিত কৰিছোঁ তোমাৰ
হাত বিচাৰি
ভাবি চোৱা
তুমি আছা নিচেই
কাষত
মই তোমাৰ কোমল
ছাঁয়াত। ❑

# আলহী, তোমাৰ বাবেই

শ্ৰীৰণ্টু দাস
স্নাতক ১ম বৰ্ষ (কলা)

২২ আগষ্ট, ২০০১ ইং।
আজি বহু দিনৰ প্ৰতীক্ষাৰ অন্তত
তোমাৰ স'তে মোৰ দুৰ্লভ সাক্ষাত হ'ল।
জানা,
তুমি মোৰ পঁজালৈ আহি নকৈ আলহী সুধিবৰ দিনা
মই যে কি বিমোৰত পৰিছিলোঁ .....
চকুত তপতবুলে, খুদকণ মুঠেই নাছিল
তথাপি হিয়া মথি যি এমুঠি পালোঁ, তাকে দিলোঁ।
নিশাও জিৰণিৰ পৰত কি যে হাঁহাকাৰ
তোমাক হিমৰ পৰা বচাবলৈ
উদং পিঠিখনেৰেই বুকুৰ উমেৰে ঢাকিবলৈ অকণো
কাৰ্পন্য নকৰিলোঁ।

আচলতে কি জানা —
এই যে পঁজাটো তাক মেৰামত কৰাৰ বৰ মন
...... অকলেযে, নোৱাৰোৰেই
কোনোবা দিনা চেষ্টাৰ ৰাগ টানিলেও
মোৰ বুকুৰ পুৰণি বিষটোৱে উক দিয়ে
যন্ত্ৰণাত দ্বিতীয় উশাহটো নুঘূৰিব যেন লাগে
...... মোৰ পঁজাত আলহী হোৱা দিনা
তুমি যে দৰৱ জাতিৰে বুকুখন মালিচ কৰি দিছিলা
মোৰ বুকুত গোটমৰা প্ৰায় বিষবোৰ সিদিনাই গলি গ'ল
তাৰ ঠাইত নতুনকৈ এসোপা মৌজোল ভৰি ৰ'ল।

তুমি মোৰ পঁজাত নকৈ আলহী হোৱাৰ দিনা
পঁজাটোও মেৰামতৰ প্ৰয়োজন হ'ল
সিদিনাই পঁজাটোৰ এভাগ তোমাৰ নামেৰে ৰঞ্জিত হ'ল,
বাহ! সিদিনা যে তোমাৰ কি ভেম
ঠেহ ভাঙোতে এপৰ লাগিল
বুজিছা, তুমিয়েই মোৰ আজীৱন প্ৰেম।
তুমি যে ইমান নিপুণা .... বাপ্‌ৰে!
ইমান নিমজকৈ বেৰবোৰ লিপা পৰত
ভাগৰ বুলি অকণোৱেই নিজিৰালা
জানা নকৈ ৰঙৰ প্ৰয়োজনেই নৰল
পিছে বেৰৰ গোবৰ মাটিবোৰহে শুকান নহ'ল।

তুমি যে কৈছিলা ......
"এই —, মোৰ বৰ ভয়
ধুমুহাৰ নিশা যদি পঁজাটো ভাঙি বয়!"

মই কথা দিছো —
"এইবাৰৰ পৰা দৰমহাৰ টকাকেইটা
তোমাৰ হাতকে গুজি দিম,
ক্ৰমে ক্ৰমে শিল-বালি-ইটাৰ এটি মজবুত ঘৰ সাজিম,
ধুমুহা-বৰষুণৰ নিশাও
দুয়ো দুয়োবো হৃদয়ৰ উম্মাত হেৰাই পৰিম।"


তুমি পিছে ঘৰ সজালৈ কষ্টৰে হ'লেও ৰ'বা
পঁজা গুচি ঘৰ হোৱা মূল দৰ্জাখনৰ চাবিপাত
তোমাৰ কোঁচতে এদিন গুজি লবা।

(যাৰ নিভাঁজ অনুপ্ৰেৰণাত কবিতাটো লিখা হ'ল,
কবিতাৰ স'তে যাৰ অকৃত্ৰিম ভালপোৱা সেইজনী
বেখাৰ হাতত অৰ্পণ কৰিলোঁ।)

# ক'ত তোমাৰ হেঙুলীয়া হাত

**শ্ৰীবসন্ত কুমাৰ দত্ত**
অৱসৰপ্ৰাপ্ত ভাৱপ্ৰাপ্ত অধ্যক্ষ

মই মোব হেঁপাহৰ ঠাইখন
বিচাৰি ফুৰিছিলোঁ
আলি দোমোজাত বৈ
যাকে লগ পাইছোঁ
তাকেই সুধিছোঁ
কোনোৱে কৈছে ইয়াত
কোনোৱে কৈছে তাত
নেজানি নুবুজি কোনোবা হৈ ৰৈছে
নিশ্চুপ নিমাত
মই মোৰ হেঁপাহৰ ঠাইখন
বিচাৰি ফুৰোঁতে উজুটি
খাইছোঁ
কেতিয়াবা উফৰি পৰিছোঁ
কদৰ্য বাটৰ কাষত
বোকা পানীৰে লুতুৰি পুতুৰি
হৈছোঁ
কোনোৱে হাঁহিছে
পুতৌ কৰিছে
আগবাঢ়ি অহা নাই
আই ঐ দেহি কোনো হেঙুলীয়া
হাত
পৰিশেষত
সূৰ্যৰ প্ৰখৰ পোহৰতে
মোৰ হেঁপাহ শুই পৰিছে




# উচুপনি

**শ্ৰীঅনুপম ৰয়**
উঃমাঃ ১ম বৰ্ষ (কলা)

চকুৰ আগৰ সজীৱ নদীখনৰ
পানীবোৰৰ অনাবিল সৌন্দৰ্য
কেনি গ'ল অজানিতে
উপকূলত উন্মত্ত ঢৌৰ
আস্ফালন পলকে পলকে
আঘাতত কম্পিত আশাৰ
বালিঘৰ
যেন এই ভাগে এই ভাগে
অবিৰাম দুৰন্ত সময়
তাৰ স'তে উৰিবলৈ মোৰ
মনৰ ডেউকা এতিয়া
তেনেই ক্লান্ত
শীৰ্ণ চকুত এৰি অহা ছবিৰ
উচুপনি। ❑

সপোনৰ শেঁতা শেতেলিত
আচৰিত ধৰণে তাত
ওলমি আছে এখন ছবি
ছবিখন উকা কাগজত
ভাগি ছিগি থকা
শুকুলা মেঘৰ ছবি। ❑

# গল্পৰ সম্ভাৰ





| | | | |
|---|---|---|---|
| ১। | প্ৰেম ৰোমান্স আৰু এখন মটৰ চাইকেল | ▷ শ্ৰীপংকজ কলিতা | ৩৭ |
| ২। | আত্মসমৰ্পণ | ▷ শ্ৰীজয়ন্ত কলিতা | ৪২ |
| ৩। | দিবাস্বপ্ন | ▷ শ্ৰীঅনুপম ৰয় | ৪৪ |
| ৪। | নেপথ্য | ▷ শ্ৰীসদানন্দ ৰাভা | ৪৭ |
| ৫। | অপাৰেচন 'মুক্তিৰ সন্ধানত' | ▷ শ্ৰীশ্বৰিফ কছাৰী | ৫১ |

(ৰোমাণ্টিক গল্প)

# প্ৰেম ৰোমান্স আৰু এখন মটৰ চাইকেল

শ্ৰীপংকজ কলিতা
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)



ৰূপালী ৰৈ আছে জালুকবাৰী চিটি বাছ ষ্টেণ্ডত। বাছবোৰ তাইৰ চকুৰ আগেদিয়েই আহি আছে গৈ আছে। মানুহবোৰ হুৰমূৰকৈ উঠিছে আৰু খৰখেদাকৈ নামিছে। তাইহে উঠিব পৰা নাই। কাৰণ প্ৰণৱ এতিয়াও আহি পোৱাহি নাই।

সি কৈছিল ঠিক চাৰিটা বজাত সি চান্দমাৰীৰ পৰা জালুকবাৰীৰ বাছষ্টেণ্ড পাবহি। বাৰে বাৰে তাইৰ ঘড়ীটো চাই চাই আমনি লাগিছে। ঘড়ীৰ কাটাদাল ইমান লাহে লাহে যাব পায়নে বাৰু ? নে বেয়া হ'ল ঘড়ীটো? তাই হাতখন জোকাৰি ঘড়ীটো কাণৰ ওচৰত ল'লে। চলি আছে। বেয়া হোৱা নাই। আচলতে চাৰিটা বাজিবলৈ এতিয়াও পাঁচ মিনিট বাকী। তাইহে বৰ লৰা-লৰিকৈ আহোতে সোনকালেহে পালেহি। এনেকৈ ডিঙি মেলি চাই ৰৈ থকাতকৈ পাঁচ মিনিট পলমকৈতো তাই আহিব পাৰিলে হয়। ছেঃ, নিজৰ ওপৰতে খং উঠিল তাইৰ। হঠাৎ মটৰ চাইকেল এখন স্পীডত আহি কৰ্কশভাৱে ব্ৰেক মাৰি তাইৰ ওচৰতে ৰৈ গ'ল। মুখ ঢকা হেলমেটটোৰে ল'ৰাটো তাইৰ ওচৰত ৰোৱাত তাই দুখোজ মান পিছুৱাই অহাৰ লগে লগে ল'ৰাটোৱে মাতিলে -

ঃ ৰূপালী ? ল'ৰাটোৱে হেলমেটটো অকণমান দাঙি মুখখন উলিয়াই দেখুৱালে।

আৰে, এইটো দেখোন প্ৰণৱ।

ঃ প্ৰণৱ ? তাই অবাক হৈ তালৈ চালে। প্ৰণৱে বেচ গৌৰৱেৰে বুকু ফিন্দাই গৰ্বেৰে হাঁহি ক'লে -

ঃ উঠা, কাম অ'ন।

ঃ ৱাও, কিনিলা ?

মটৰ চাইকেলখন সি জোৰেৰে চলাই দিলে।

চেঙা ঘোঁৰা এটাৰ দৰে মটৰ চাইকেলখনে তৎমুহূর্ততে দৌৰ দিলে ফ্লাই অভাৰৰ ফাললৈ। ফ্লাই অভাৰৰ ওপৰত উঠাৰ লগে লগে ৰূপালীয়ে প্ৰণৱৰ ককাঁলত এহাতেৰে সাৱটি ধৰিলে ঠিক সংগীতাই প্ৰশান্তক সাৱটি ধৰাৰ দৰে। প্ৰশান্তৰ মটৰ চাইকেলত উঠি সংগীতাই তাইৰ চকুৰ আগেদিয়েই ক'লৈ যে নাযায়। পাপৰি যায় উৎপলৰ স্কুটাৰত। সিহঁতে কামাখ্যা, নৱগ্ৰহ চব ঘূৰি ফুৰে। তাইহে প্ৰণৱৰ লগত চিটি বাছত বা ৰিক্সাত উঠি ওচৰতে ঘূৰি ফুৰে।

শুক্লেশ্বৰৰ পাৰ্কত গছৰ আঁৰত থকা পকী বেঞ্চখনত বহি ব্ৰহ্মপুত্ৰৰ বুকুত মাৰ যোৱা ৰঙা বেলিটোলৈ চাই চাই তাই প্ৰণৱৰ হাতখনত চিকুট এটা মাৰি কৈছিল - "তোমাৰ মটৰ চাইকেল এখন থকা হলে কিমান যে ভাল হ'লহেঁতেন! দেওবাৰে কিজানি শ্বিলং পৰ্যন্ত যাব পাৰিলোহেঁতেন নহয় ? অকোৱা-পকোৱা ৰাস্তাত মটৰ চাইকেলত ঘূৰিবলৈ চাগে বিৰাট মজা।"

সেইদিনা সিহঁতে শুক্লেশ্বৰৰ পাৰ্কত অলপ সময় বহি চিনেমা চাবলৈ গ'ল। চিনেমা কেতিয়াবাই আৰম্ভ হৈ গৈছিল। সিহঁতে হলৰ ভিতৰত সোমাই বহাৰ পিছত পৰ্দাত দেখিলে চাহৰুখ খানে কাজলক মটৰ চাইকেলত উঠাই উৰুৱাই লৈ গৈছে অকোৱা-পকোৱা পাহাৰী ৰাস্তাৰে। কাজলে তাইৰ বুকুখনেৰে তাক হেচি ধৰি দুহাতেৰে সাৱটি ধৰিছে।

দৃশ্যটো চাই থাকোতে প্ৰণৱে তাইৰ হাতখন তাৰ হাতৰ আঙুলিবোৰেৰে লাহে লাহে চেপি ধৰিছিল। তাৰ ঘৰ্মাক্ত হাতৰ তলুৱাৰ স্পৰ্শত তাইৰ শৰীৰত যেন কাৰেণ্ট মাৰিছিল ঘনে ঘনে।

চিনেমা চাই ৰিক্সাত আহি থাকোতে সি তাইক কৈছিল - বাইক এখন আচলতে লাগেই। তাৰ পিছত দুয়ো কথা পাতিছিল কেৱল মটৰ চাইকেল, স্কুটাৰৰ কথা। কোনখনৰ কিমান দাম। কোনখনে কিমান পেট্ৰল খায়। কোনখনে সোনকালে পিক-আপ লয় ইত্যাদি।

চাবি আলিত সি তাইক নমাই থৈ ক'লে -

ঃ অহা শনিবাৰে চাবিটা বজাত জালুকবাৰী বাছষ্টেণ্ডত দেই।

ঃ অহা শনিবাৰে ?

ঃ অ' অহা শনিবাৰে। কিবা আপত্তি আছে নেকি?

তাই তাৰ গাৰ কাষলৈ গৈ ফুচ ফুচাই ক'লে -

ঃ ইমান দিনৰ পিছত? মানে পুৰা এসপ্তাহৰ পিছত ?

প্ৰণৱে গম্ভীৰ হৈ ক'লে।

ঃ মোৰ বিশেষ কাম আছে।

ঃ বাৰু হ'ব।

এতিয়াহে তাই বুজি পালে সেই বিশেষ কামটো কি আছিল ? প্ৰণৱে এই মটৰ চাইকেলখন কিনিছিল। সচাঁকৈ সি যে তাইক কিমান ভাল পায়। সেই দিনা তাই শুক্লেশ্বৰৰ পাৰ্কত কৈছিলহে তাক। সি কিনিলেই দুদিন পিছতে। মৰমতে তাই প্ৰণৱৰ ককালত জোৰেৰে চেপা মাৰি ধৰিলে। প্ৰণৱে এবাৰ পিছলৈ এনেয়ে ঘূৰি চালে। তাৰ পিছত সি আগতকৈয়ো স্পীডত মটৰ চাইকেলখন চলাই দিলে। বেছ স্পীডত চলাইছে সি হিৰ' হণ্ডাখন। মটৰ চাইকেলখনৰ ৰংটো ৰঙা। কিমান ধুনীয়া। প্ৰণৱৰ পুৰুষসুলভ কঠিন হাতদুখনলৈ চাই তাইৰ যেন গৰ্ব হ'ল। এজন পাৰ্গত চালকৰ দৰে সি মটৰ চাইকেলখন চলাইছে।

জু ৰাস্তাৰে গৈ থাকি সিহঁতে দিছপুৰো পাৰ হ'ল। তাৰ পিছত খানাপাৰা হৈ যোৱাবাট পোৱাত প্ৰণৱে পাচ ফাললৈ সামান্য মুখ ঘূৰাই ক'লে - চাহ খাম। ডাঙৰ চাহৰ দোকান এখনৰ আগত সি মটৰ চাইকেলখন ৰখাই দিলে। ৰূপালী জাপ মাৰি নামিল। নামিয়েই তাই দোপাট্ৰাখন বুকুৰ ওপৰত ঠিক কৰি লৈ চুলিখিনি ঠিক কৰি ললে। প্ৰণৱে হেলমেটটো খুলি হাতত লৈ জপিয়াই যোৱাৰ দৰে দোকানখনৰ ভিতৰত সোমাল। ৰূপালীও একে উলাহেৰে তাৰ সমানে খোজ কাঢ়ি দোকানখনৰ

ভিতৰত সোমাল।

ঃ কি খাবা ? - ঘৰ্মাক্ত মুখখন ৰুমালেৰে মচি মচি প্ৰণৱে ৰূপালীক সুধিলে।

ঃ কি খাবা মানে ? এনেকৈ নহ'ব দেই। চেলিব্ৰেট কৰা আক'।

প্ৰণৱৰ ওঁঠৰ ওপৰেদি লাহেকৈ হাঁহি এটা বাগৰি গ'ল। সি চকুদুটা ৰুমালখনেৰে ঢাকি ক'লে -

ঃ তোমাৰ যি মন যায়।

ঃ ঠিক আছে।

বয় এটাই মেনু এখন আগবঢ়াই দিলে। ৰূপালীয়ে এফালৰ পৰা পঢ়ি গ'ল চিকেন ৰ'ল, এগ ৰ'ল, প্লেইন দোচা, মচলা দোচা .... নামবোৰ পঢ়ি যাওঁতে তাইৰ ভোক ভোক যেন লাগিল। হোষ্টেলত সেই ৰাতিপুৱা চাৰে আঠটাতে ভাত খোৱা। আবেলি ৩ বজাত দিয়া ৰুটি-তৰকাৰী তাই নাখালেই লৰালৰি হোৱাত। পিচে কি অৰ্ডাৰ দিব তাই এতিয়া ? তাই প্ৰণৱলৈ চালে। প্ৰণৱে টেবুলত কিলাকুটি ভেজাদি দুহাতেৰে খুউব কপাল পিহি আছে। তাৰ মুখখনো যেন আন দিনাৰ দৰে নহয়। কিবা যেন চিন্তা লাগি থকা মুখ। তাই মেনুখন টেবুলত থৈ হাতেৰে প্ৰণৱৰ কপালখন চুই ক'লে -

ঃ মূৰ বিষাইছে ?

ঃ নাঃ ।

ঃ তেন্তে ? সি জোৰকৈ হাঁহি ক'লে -

ঃ বহু দিনৰ পিছত চলাইছোতো।

ঃ ইচ্, মোকো শিকাই দিবা হাঁ।

প্ৰণৱে একো নামাতিলে। ৰূপালীয়ে অৰ্ডাৰ দিলে চিকেন ৰ'ল আৰু চোলা ভটৰা। লগতে কফি। প্ৰণৱে চোলা ভটৰা অলপহে খালে। সি হেনো খাই আহিছে। দুখন মিঠাপাণ বনাবলৈ দি প্ৰণৱে মটৰ চাইকেলখনৰ নেইম প্লেটখন চুই চালে। চক চকাই আছে নেইম প্লেটখন। তাৰ পিছত মটৰ চাইকেলখনে ঢাপলি মেলিলে।

অকোঁৱা-পকোৱা ৰাস্তা পোৱাৰ লগে লগে ৰূপালীয়ে প্ৰণৱৰ ককালত দুহাটেৰে জোৰেৰে সাৱটি ধৰিলে। প্ৰণৱৰ গাৰ উত্তাপত তাইৰ গোটেই গাটো যেন ঘামিবলৈ ধৰিলে। তাই ভাৰত বিভোৰ হৈ আহি কেতিয়াযে হোষ্টেলৰ ওচৰ পালেহি ক'বই নোৱাৰিলে।

গধূলি ছয় বাজি গৈছিল। গেইটখন মাৰিবলৈ চকিদাৰজন আগবাঢ়ি আহিছিল। মটৰ চাইকেলৰ পৰা নমা ৰূপালীক দেখি সি বৈ থৰ হৈ চাবলৈ ধৰিলে। ৰাস্তাত ছোৱালী এজনীও নাছিল। চকিদাৰ হৰিয়ে টেলেকা-টেলেক চকুৰে প্ৰণৱক আৰু মটৰ চাইকেল খন চাই থাকিল। সি বৈ থাকিল গেইটখনৰ বাহিৰত।

ৰূপালী ভিতৰলৈ সোমোৱাৰ লগে লগে সিও ভিতৰলৈ সোমাব আৰু গেইটত তলা এটা ওলোমাই দিব।

ৰূপালীয়ে হৰিলৈ ঘোপাকৈ চালে। তাই প্ৰণৱৰ ফালে চাই অস্ফুট মাতেৰে কলে -

ঃ তাক দেখিছাহে এনেকুৱা । চব বুজি পায় জানা?

প্ৰণৱে মিচিকিয়াই হাঁহি ৰূপালীক কলে -

ঃ বাৰু যাওঁ হা। লগ পাম আকৌ বুধবাৰে।

তৃপ্তিৰ হাঁহি মাৰি ৰূপালীয়ে হাত জোকাৰি ক'লে -

ঃ চিওৰ, বাই।

ঃ বাই, চি ইউ।

প্ৰণৱে জোৰেৰে হেচি ধৰিলে একজিলেটৰ। হৰিয়ে প্ৰণৱলৈকে চাই আছিল। প্ৰণৱ চকুৰ আঁতৰ হোৱাৰ লগে লগে সি ৰূপালীলৈ চালে। তাৰ ওঁঠৰ কোণত এটা অকণমান হাঁহি। ৰূপালীয়ে জানে হৰিয়ে কাকো একো নকয়। কিমান ছোৱালীয়ে তাৰ চকুৰ আগতে ল'ৰাৰ লগত আহি গৈ আছে সি কেতিয়াও নকয় মেডামক।

ঃ হবিকা ভালনে ? হবিয়ে ক'লে -

ঃ হ'ব হ'ব আহা এতিয়া ভিতৰলৈ।

তাই উল্লাসেৰে হোষ্টেলৰ ভিতৰলৈ সোমাই আহিল। চিৰিৰে ওপৰলৈ উঠি যাওঁতে তাই মনে মনে চিন্তা কৰিলে প্ৰণৱে বাইক কিনা কথাটো পাপৰি আৰু সংগীতাক ক'বনে নকয়। কোঠাৰ দুৱাৰ মুখতে তাই সিদ্ধান্ত ল'লে তাই নকয়। নহ'লে সিহঁতে এতিয়াই তাইৰ পৰা চাহ আদায় কৰিব।

কোঠাত সোমায়েই তাই দেখিলে পাপৰিহঁতো এই মাত্ৰহে সোমাইছেহি। সিহঁতে ফুৰিবলৈ যোৱা কাপোৰ খুলিছেহে মাত্ৰ। ৰূপালীক দেখা মাত্ৰকে সংগীতাই চিঞৰি ক'লে - ঐ ক'লৈ গৈছিলি ? প্ৰণৱৰ লগত ঘূৰিবলি হবলা ? ওঠ বিকতাই কৃত্ৰিম খঙেৰে ৰূপালীয়ে ক'লে -

ঃ ইচ্ তেনেকৈ নকবি দেই। তাক লগেই পোৱা নাই কিমান দিন। মই নুনমাটিত থকা জেঠাইৰ ঘৰলৈ গৈছিলোঁ বুইছ ?

বাৰ্মুদাৰ ওপৰত নতুন স্পৰ্টিং এটা পাপৰিয়ে পিন্ধিবলৈ ধৰা দেখি ৰূপালীয়ে সুধিলে-

ঃ আজি কিনিলি ন' ? কিমান ললে ?

ঃ পঞ্চাশ টকা কৈছিল। প্ৰশান্তই তাক জেক দি দি উঠাই দিয়াৰ পিছত সি ত্ৰিশ টকাতে দিলে।

ঃ আই ঔ। মইও এটা কিনিম ভাই। ইস্মান ধুনীয়া !

ঃ কিনিব নালাগে। তোলৈ এটা আনিছোৱেই সন্তাত পোৱা দেখি।

ঃ চাওঁ চাওঁ !

ৰূপালীয়ে একে জাপে তাইৰ ওচৰ পালেগৈ। পাপৰিয়ে পেকেট এটা ফালি তাৰ পৰা ৰঙা গেঞ্জি এটা উলিয়াই তাইৰ হাতত দিলে। গেঞ্জিটোৰ বুকুত লিখা আছে বগা আখৰেৰে গুড লাক বুলি । ঃ গুড লাক। বঢ়িয়া ! থেঙ্ক ইউ, থেঙ্ক ইউ। সঁচাকৈ গুড লাক তাইৰ। পাপৰিয়ে বাৰু কেনেকৈ মিলালে ৰঙা ৰঙটো মটৰ চাইকেল খনৰ ৰঙৰ লগত ? মনৰ আনন্দত তাই পাপৰিক দুহাতেৰ সাৱটি ধৰি দুগালত টপৰ টপৰকৈ দুটা চুমা খাই দিলে। পাপৰিয়ে দুহাতৰ তলুৱাৰে গাল দুখন মচি মচি ক'লে- হ'ব হ'ব যা।

ৰাতি তাইৰ বৰ ভাল টোপনি হ'ল। ৰাতি তাই সপোন দেখিলে প্ৰণৱৰ লগত ৰঙা মটৰ চাইকেলখনত উঠি পাহাৰৰ ওপৰলৈ অকোৱা পকোৱা ৰাস্তাৰে গৈ আছে। মটৰ চাইকেলখন যেন উৰিহে গৈছে।

বুধবাৰৰ দিনা তাই পাপৰিয়ে দিয়া ৰঙা গেঞ্জিটোকে পিন্ধিলে জীনচ্‌ৰ লগত। মুখত আনদিনাতকৈ বহুত যত্নেৰে ফাউন্দেচন ঘহিলে। ৰাতিপুৱাই তাই মূলতানি মাটিৰে ফেচ্‌পেক লৈছিল আৰু আগদিনা চুলিত চেম্পো কৰি হেনা কৰিছিল।

আইনাখনত চাই ফুৰ্ফুৰিয়া চুলিখিনি বাৰে বাৰে ব্ৰাচডালেৰে ঠিক কৰিলে তাই। সৰু আইনাখনত জুপি জুপি চালে চুলিত ৰঙচুৱা আভা এটা বিয়পি পৰিছেনে নাই। আচলতে ৰ'দত ওলালেহে ৰঙচুৱা ৰঙটো চকুত পৰে।

ঃ ঐ, তোক বিৰাট ধুনীয়া লাগিছে দেই।

ওৱালমেট ৰুমীয়ে কোঠাৰ ভিতৰলৈ মুৰটো সুমুৱাই কৈ গ'ল। তাই ক্লাচ কৰি এতিয়াহে উভতিছে।

ঃ ই - হৈছে। নিজে -। ৰূপালীয়ে চিঞৰি ক'লে।

কাষৰ ৰুমৰ সেউজী আৰু নীলাক্ষিৰ ভিজিটৰ আহিছিল। সিহঁতক চকিদাৰে খবৰ দিয়াত তললৈ নামি গৈ এতিয়াহে ওপৰলৈ আহিছে। দুয়োজনী বেগেৰে আহি ৰূপালীহঁতৰ ৰুমত সোমাই আহিল। ৰূপালীলৈ চাই চাই নীলাক্ষীয়ে কলে-

ঃ কি ঘটনা হৈছে ক'ব পাৰ ?

গোটেই বোৰে নীলাক্ষিলৈ চালে।

ঃ প্ৰণৱক পুলিচে এৰেষ্ট কৰিলে জান, অলপ

আগতে।

ঃ প্ৰণৱক ? কোন প্ৰণৱ ?

পাপৰিয়ে চিঞৰি সুধিলে।

ঃ খুউব গহীন হৈ নীলাক্ষিয়ে ভেকাহি মৰাৰ দৰে ক'লে -

ঃ ই প্ৰণৱক চিনি নোপোৱাই হ'লি এতিয়া ? কমাৰ্চৰ প্ৰণৱ কলিতা। ৰূপালী চক্ খাই উঠিল। তাই চিঞৰি উঠিল।

ঃ কিয় ? কিয় এৰেষ্ট কৰিলে তাক পুলিচে ? সিতো আলফা-ছালফা নহয় --- মুখখন জোকাৰি সেউজীয়ে ক'লে -

ঃ সি এটা চোৰ। কাৰোবাৰ মটৰ চাইকেল এখন চুৰ কৰি আনি নাম্বাৰ প্লেট বদলাই লৈছিল যদিও পুলিচে ধৰিব পাৰিলে। মটৰ চাইকেলত উঠি খুউব পায়তাৰা মাৰিব খুজিছিল নহয়, পালে মছলাটো ?

তাইৰ কথাত বাধা দি সংগীতাই ক'লে -

ঃ ৰ'বি ৰ'বি কথাটো সঁচানে বাৰু ?

আচলতে সংগীতাই জানে, সেউজী এসময়ত প্ৰণৱৰ কাৰণে খুউব লাইন মাৰিছিল। তাই উপযাচিয়েই তাক ইটো-সিটো দিছিল। সি কিন্তু ফ্ৰেঙ্কলি তাইক ৰিফিউজ কৰিছিল। তাইৰ খং তাতেই। এতিয়া সুবিধা পাই বিষবোৰ উদ্‌গীৰণ কৰিব খুজিছে চাগৈ।

সংগীতাৰ কথা শেষ নহওঁতেই তাই সমান উষ্ণতাৰে ক'লে -

ঃ মোৰ কথা সঁচা নহয় যদি কালিলৈ ৰাতিপুৱাই পেপাৰ চাবি। দেখিবি প্ৰণৱক পুলিচৰ লগত উদং গাৰে উঠা ফটো।

ৰীণা, মৌচুমীহঁতো কোঠাত আহি গোট খালেহি। কোঠাৰ এচুকত কিতাপ মেলি লৈ বহি থকা দীপাই ক'লে -

ঃ ল'ৰাবোৰৰ যে কি হ'ল ? অলপতে সেই দিলীপ, ৰজনী দাসহঁতে মটৰ চাইকেল চুৰ কৰা অপৰাধত ধৰা পৰিছিল। পেপাৰত ফটো ওলাইছিল। মৌচুমীয়ে হাঁহি মাৰি ক'লে - 'দীপাবা, এতিয়া পিচে ল'ৰাবোৰে মাৰুতিতহে ধৰিছে দেই। প্ৰফেচাৰ শৰ্মাৰ ল'ৰাই যে মাৰুতি এখন চুৰ কৰি আনি বেচিব খুজিছিল পাহৰিলা ?

কথাবোৰ আৰু শুনি থাকিবলৈ মন নগ'ল ৰূপালীৰ। ইফালে হোষ্টেলৰ বহুত ছোৱালীয়েই জানে প্ৰণৱৰ লগত থকা তাইৰ ভালপোৱাৰ কথা। দীপাই যেন কিবা এটা বুজি পালে। তাই কিতাপখন মেলি মুখৰ ওচৰলৈ দাঙি ক'লে -

ঃ মোৰ হ'লে বহুত পঢ়িবলৈ আছে দেই।

লগে লগে সেউজী, নীলাক্ষি, ৰীণা, মৌচুমীহঁত কোঠাৰ পৰা ওলাই গ'ল। সিহঁত যোৱাৰ পিছত কোঠাৰ দৰজাখন বন্ধ কৰি দি সংগীতাই ৰূপালীক ক'লে-


ঃ ইমানযে ভাল ল'ৰা আছিল সি ? কোনে বাৰু বিশ্বাস কৰিব সি মটৰ চাইকেল চুৰ কৰিব পাৰে বুলি ?

পাপৰিয়ে দুখ মনেৰে সৰু সৰুকৈ ক'লে -

ঃ ইচ্ নিজৰটো নাক কাটিলেই মাক-বাপেকৰো কাটিলে। লগতে কলেজৰো। ছিঃ ছিঃ।

ৰূপালীয়ে তেতিয়াও তলমূৰ কৰি বহি থাকিল। বাহিৰত এনেতে এখন মটৰ বাইক আহি ৰ'লহি। কোনোবা নিশ্চয় আহিছে। সেইখনত উঠি হয়তো আন এজনী ওলাই যাব। মাত্ৰ ৰূপালীহে ওলাই নাযায়। যাব লগা হলে চিটি বাছতে যাব। ঠেলা হেঁচা কৰিও এজন সৎ মানুহৰ লগত যোৱাৰ আনন্দকণ তাই গ্ৰহণ কৰিব। পৃথিৱীত কি সকলো মানুহেই মটৰ চাইকেলতে ককালত ধৰি যায় নেকি ? তেন্তে চিটি বাছত অতবোৰ মানুহ কিয় ?

# আত্মসমৰ্পণ



শ্ৰীজয়ন্ত কলিতা,
স্নাতক ২য় বৰ্ষ (কলা)

নিশা দুই বজাত অসীমে তাৰ গন্তব্য স্থানত উপস্থিত হ'ল। যাত্ৰীবাহী ৰেলখনৰ পৰা নামি সি চাৰিওফালে এবাৰ চকু ফুৰাই ল'লে। সৰু ৰেলষ্টেচনটোত পইণ্টমেনজনে লৈ থকা হাত লেম্পটোৰ বাহিৰে ঠাইখিনি এক ভয় লগা নিৰ্জনতাৰে ভৰা অন্ধকাৰ। জনবসতিহীন ঠাইখিনিৰ পৰা হাবিতলীয়া বাটেৰে তাৰ গাঁও খনলৈ যাব লাগে। প্ৰায় এটি দশকৰ মূৰত সি তাৰ গাঁওখনলৈ, তাৰ ঘৰখনলৈ আহিছে। এটি নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনত যোগদান কৰিবলৈ সি ওলাই গৈছিল এটি দশক আগতে। সংগঠনৰ তৰফৰ পৰা বিদেশত প্ৰশিক্ষণ লৈ আহি কেইবাটাও অপাৰেচনত ভাগ লৈ শেষত সংগঠনটিৰ হাই কামাণ্ডেণ্টৰ দায়িত্ব লোৱাৰ পিছৰ পৰা আৰক্ষী আৰু সৈন্য বাহিনীয়ে তাক বিচাৰি চলাথ কৰিছে। বহুবাৰ ঘৰলৈ বুলি যাত্ৰা কৰিও বাধাগ্ৰস্ত হৈ উভতি যাব লগা হৈছিল।

সৰুৰে পৰা উমলি ডাঙৰ হোৱা ঘৰখনত থকা তাৰ মাক আৰু ভনীজনীক আজি বহুদিনৰ মূৰত দেখিবলৈ পোৱাৰ আশাত তাৰ মুখত সামান্য হাঁহি বিৰিঙি উঠিল। এজাক হিমচেঁচা বতাহে তাক সোঁৱৰাই দিয়াত পিঠিত বেগটো লৈ হাবিতলীয়া বাটেৰে যাত্ৰা আৰম্ভ কৰিলে। নিৰ্জন হাবিখনত প্ৰৱেশ কৰাৰ লগে-লগে অনতি দূৰত কেইবাটাও মানুহৰ মুৰ্ত্তি তাৰ চকুত পৰিল। স্তব্ধ হৈ গ'ল অসীমৰ গতি। তাৰ কিছু সময় পিছত দেখিলে সেয়া আন কোনো নহয় - আৰক্ষী অথবা সৈন্য বাহিনী।

অসীমে পলম নকৰি বেগাই ষ্টেচনৰ পিনে খোজ ল'লে। তাত সি ৰেল গাড়ীৰ খালী ডবা এটাৰ ভিতৰত সোমাই পৰিল আৰু প্ৰভাতৰ অপেক্ষাত ৰ'ল।

চকুলো বাগৰিল তাৰ। বহু আশা লৈ আহিছিল সি তাৰ পিতৃহীন ঘৰখনত মাকে ৰান্ধি দিয়া এমুঠি ভাত শান্তিৰে খাব বুলি, তাৰ ভনীয়েকৰ মৰম পাব বুলি। কিন্তু তাৰ আশাত চেঁচা পানী পৰিল। ৰাতিটোৰ বাকী সময়খিনি সি ডবাটোৰ ভিতৰত কটাই সূৰ্য উঠাৰ পিছত দক্ষিণ ফালে থকা পাহাৰৰ টিলা এটাৰ পিনে খোজ ল'লে।

টিলাটোৰ ওপৰত বহি থাকোতে তাৰ কেতিয়া টোপনি আহিল ক'ব নোৱাৰিলে। হঠাতে কাৰোবাৰ উপস্থিতিত সি সাৰ পাই উঠি দেখিলে যে চাৰিজন খৰি লুৰিবলৈ অহা মানুহে তাক নাতি দূৰৈৰ পৰা লক্ষ্য কৰি আছে। আটাইকেইজনকে সি চিনি পালে। সিহঁত তাৰ নিজৰ গাঁৱৰে হৰিমল, ৰতন, প্ৰণৱ আৰু গজেন। কিন্তু পৰিস্থিতিৰ খাতিৰত চিনাকী নিদি অচিন ভাৱেৰে সি চাৰিওজনকে ওচৰলৈ মাতি আনি বহিব দিলে।

"আপোনালোকৰ গাঁৱত আৰ্মি অপাৰেচন চলি আছে নেকি ?" - অসীমে সিহঁতক প্ৰশ্ন কৰিলে।

উত্তৰত হৰিমলে বৰ্ণাই গ'ল - "এই ক্ষুদ্ৰ অঞ্চলটিত আজি কে'বাবছৰো ধৰি গাঁওবাসীয়ে পুলিচ-মিলিটাৰিৰ অত্যাচাৰত অতিষ্ঠ হৈ পৰিছে। আমাৰ গাঁওৰ অসীম বৰুৱা নামৰ যুৱক এজনক বিচাৰি প্ৰায়ে আৰ্মি আহে। সি হেনো এটি দুৰ্ধৰ্ষ সংগঠনৰ সন্ত্ৰাসবাদী নেতা।

তাৰ ঘৰৰ বৃদ্ধ মাক আৰু একমাত্ৰ ভনীয়েক জনীক শাৰীৰিক আৰু মানসিকভাৱে যথেষ্ট শাস্তি দিয়াৰ মুৰকত আজি পোন্ধৰদিন আগতে মাক জনী ঢুকাই থাকিল ....।"

অসীমৰ মুৰত যেন সৰগহে ভাগি পৰিল। সি উচপ খাই উঠি অপলক দৃষ্টিৰে হৰিমলৰ মুখলৈ চাই ৰ'ল। তাক শোকে খুন্দা মাৰি ধৰিলে। বহু সময় ধৰি তাৰ কাণত হৰিমলে কোৱা কথাখিনি বাজি থাকিল। শোকত সি কান্দি পেলালে।

আচৰিত হ'ল হৰিমলহঁত। অচিনাকী ল'ৰা এজনে সিহঁতৰ কথা শুনি হুক-হুকাই কন্দাত সিহঁত আচৰিত হ'ল। হৰিমলহঁতে সুধিলে -- "আপোনাৰ পৰিচয়?"

"ময়েই সেই অসীম বৰুৱা ওৰফে পদ্মনাভ থাপা।" অসীমৰ কথাত সিহঁতৰ চকু কপালত উঠিল। ইমান সময়ে ডাঢ়ি গোফে ভোবোকাৰ অসীমক চিনিব নোৱাৰাৰ বাবে নিজকে লজ্জিতবোধ কৰিলে সিহঁতে। অসীমক শান্তনা দি সিহঁতে ভয়ে-ভয়ে সুধিলে -- "বোপা, বেয়া নোপোৱা যদি আমি কথা এটি ক'ব বিচাৰিছোঁ।"

"কওঁক খুৰাদেউ। আজি মই যিকোনো কথা শুনিবলৈ বাধ্য। মাৰ মৃত্যুৱে মোৰ বুকুত এপাট ডাঙৰ শেল হানিলে, ভনী ৰূপা ....।" অসীমৰ কথা শেষ নৌহওতেই গজেনে ক'লে -"ৰূপা বৰ্তমান হস্পিতালত আছে। আগতে আৰ্মিয়ে তোমালোকৰ ঘৰত সোমাই তাইক বন্দুকৰ কুন্দাৰে কোবাই বগৰাই দিছিল আৰু তাইৰ ওপৰত সিহঁতে নানান পাশৱিক অত্যাচাৰ চলাইছিল। তাৰ পিছত অজ্ঞান অৱস্থাত গাঁৱৰ মানুহে মিলি তাইক হস্পিতালত ভৰ্ত্তি কৰি দিলে। এতিয়া তাই মুখেৰে কথা ক'ব নোৱাৰে। টকাৰ অভাৱত চহৰৰ চিকিৎসালয়লৈও নিব পৰা নাই।"

নিজকে ধিক্কাৰ দিলে অসীমে। সংযত কৰিলৈ হৰিমললৈ চাই সুধিলে - "মোক কিবা এটা কওঁ বুলিছিল যে ....।"

"দৰাচলতে আমি বয়োজ্যেষ্ঠ হিচাপে তোমাক উপদেশ এটি দিব খুজিছোঁ। চোৱা, উগ্ৰপন্থী হৈ এখন দেশ স্বাধীন কৰিবলৈ যাওঁতে ভৱিষ্যতৰ কথাবোৰ ভাবি-চিন্তি চোৱা উচিত। আমি অশিক্ষিত। ৰাজনীতিৰ বিষয়ত সম্যক জ্ঞান আমাৰনাই। তথাপিও চলি যোৱা দিনবোৰত তোমালোকৰ সংগঠনৰ পৰা ৰাইজৰ লাভালাভৰ হিচাপ বিচাৰিলে হয়তো দিবলৈ অপাৰগ হ'বা। চোৱা অসীম, প্ৰত্যেকে যদি নিজৰ ভাবধাৰাৰে দেশখন সজাব বিচাৰে তেতিয়া সেই দেশখনত অশান্তি অহাটো স্বাভাৱিক। অসংখ্য যুৱকৰ অকাল মৃত্যু, বহুতো চিৰঘূণীয়া হোৱাৰ বাহিৰে আমি আন একো দেখিবলৈ পোৱা নাই। তোমাৰ মাতৃৰ অকাল মৃত্যু, ভনীজনী চিৰঘূণীয়া হোৱাৰ বাবে দায়ী কোন? তুমি নহয়নে? সেয়েহে তুমি আত্ম সমৰ্পণ কৰা, অঞ্চলটোৰ ৰাইজৰ শুকাই যোৱা মুখকেইখনত এটোপাল পানী দিয়া বোপা।"

হৰিমল হঁতৰ কথাই তাৰ শোক বিহ্বল অন্তৰত চিন্তাৰ জোৱাৰ তুলিলে। সিহঁতৰ কথা সি উলাই কৰিব নোৱাৰিলে। সেয়েহে লগত থকা মোবাইল ফোনৰ জৰিয়তে অজান ঠাইলৈ কামাণ্ডাৰ ইন চীফলৈ বুলি ফোন কৰিলে। ফোনত চীফৰ লগত হোৱা কথাৰ মাজে মাজে তাৰ খং উঠা হৰিমলহঁতে দেখিবলৈ পালে।

এটি হুমুনিয়াহ কাঢ়ি হৰিমলহঁতক উদ্দেশ্যি ক'লে - "খুৰাদেউ মই আপোনালোকৰ কথা ৰাখিম। অহা কাইলৈ মই চাৰেণ্ডাৰ কৰিম। আপোনালোকে জিলা উপায়ুক্তলৈ আজিয়েই বাতৰিটো প্ৰেৰণ কৰক।"

গজেন-হৰিমল হঁতৰ মুখত হাঁহি বিৰিঙি উঠিল। বহাৰ পৰা উঠি চাৰিওজনে অসীমক ক'লে যে সিহঁতে জিলা উপায়ুক্তলৈ আজিয়েই বাতৰিটো প্ৰেৰণ কৰিব। আনন্দ উলাহত সিহঁতৰ মন ভৰি পৰিল। আৰক্ষী, সেনাবাহিনীৰ অত্যাচাৰত জৰ্জ্জৰিত গাঁওখনলৈ হয়তো নতুনকৈ শান্তি ঘূৰি আহিব। সিহঁতৰ অশান্তি জৰ্জ্জৰিত গাঁওখনত সূৰ্যোদয় হ'ব .....।

# দিবাস্বপ্ন

শ্ৰীঅনুপম ৰয়
উঃ মাঃ ২য় বৰ্ষ (কলা)

এবাৰ দুটকীয়া নোটখন ঘূৰাই দিলে। পিছৰ বাবত যিখন নোট ল'বাজনে দিলে সেইখনৰ অৱস্থাও অতি শোচনীয়। দুটা চেলুটেপৰ পৰা হাত সৰা নাই। পাঁচ টকীয়া আৰু দুটকীয়া নোটৰ পাৰ্থক্য বুজাটো যেন এক জটিল সমস্যা। এয়া বাৰু চৰকাৰৰ দায়িত্বহীনতা নে ? জন সাধাৰণৰ কু-অভ্যাসৰ পৰিণতি তালি-তাপলি মাৰি জৰাজীৰ্ণ নোটবোৰকে চলাইছে। তথাপি কুন্দলি পকাই পকাই এটা সময়ত শূন্যত বিলীন হৈ গ'ল। লগে লগে আঁতৰি গ'ল বাইকেৰে সৈতে ল'ৰাজন। বিকাশৰ দোকানত চিগাৰেট জ্বলাই খোৱাতো ল'ৰাজনৰ দৈনন্দিন ৰুটিনৰ অন্তৰ্ভুক্ত।

আজি কিছুদিনৰ পৰা দোকানখনৰ বিক্ৰী কমি গৈছে। তাতে আকৌ মাজতে বহুদিন বন্ধও গ'ল। বন্ধ। এটা যেন পূৰণা সংস্কৃতি ক্ৰমাত বাঢ়ি গৈছে ইয়াৰ



মুদ্ৰাবোৰ চুঙা টেকেলীত ৰাখিছে। ভাবিলে হাঁহি উঠে তাৰ মানুহৰ টকা সচাঁ পদ্ধতি দেখিলে। ল'ৰাজনলৈ সি মেছটো আগবঢ়াই দিলে। তেওঁ চিগাৰেটটো জ্বলাই হোপা এটা মাৰিলে। মুখেৰে ফুকুৱাই দিয়া ধোৱাখিনি প্ৰাৱল্যতা। আজি বন্ধ, কালি বন্ধ, মুঠতে বন্ধৰ ওৰ নাই। আজি বাছ সন্থাৰ বন্ধ, আকৌ কাইলৈ সংগঠনৰ বন্ধ। মুঠতে বন্ধটো ক্ৰমাত গঢ় লৈছে এটা পৰম্পৰালৈ। বোধহয় সপ্তাহটোৰ বাকীবোৰ দিনত বন্ধ পালোঁতে দেও

বাৰটোহে খোলা থাকিবগৈ।

ঘৰৰ একমাত্ৰ ল'ৰা বিকাশ। এটা ৰেল দুৰ্ঘটনাত দেউতাক সিফলীয়া হোৱাৰে পৰা ঘৰখনৰ আটাইবোৰ দায়িত্ব তাৰ ওপৰত আহি পৰিছেহি। আজিকোপতি কোনো এঠাইত মূৰটো গুজিব নোৱাৰিলে। উপাৰ্জনৰ পথ বুলিবলৈ একমাত্ৰ দোকানখনেই । তাকো টকাৰ অভাৱত মাল ভৰাবলৈ পৰা নাই। বেচেৰা কৰবাত চাকৰি -বাকৰি এটা পোৱা হ'লে ভাল আছিল। পৰিয়াল বুলিবলৈ মাক আৰু এজনী গাভৰু ভনীয়েক। পঢ়া-শুনাত বেছ চোকা ল'ৰা আছিল বিকাশ। চাকৰিৰ সন্ধানত বহুতো ঘূৰিলে। কিমান যে অফিচ-কাচৰী শেষ কৰিলে। নাই, একো এটা লাভ নহ'ল। এতিয়া দোকানখনেৰে সিহঁতৰ তিনিটা পেট পোহ যায়।

নিশা তেতিয়া আঠমান বাজিছে। বিকাশে দোকান বন্ধ কৰিলে। ওচৰৰ দুই-এখন দোকান এতিয়াও খোলা আছে। দোকানখন ঘৰৰ পৰা কিছু আঁতৰত চাবিআলি এটাত। অকাশখন তেতিয়া মেঘাচ্ছন্ন। জোনটো কৰবাত মেঘৰ গ্ৰাসত পৰিছে। মেঘবোৰৰ মাজতেই দুই এটা তৰাই সিহঁতৰ ক্ষীণ পোহৰেৰেই চিকমিকাবলৈ এৰা নাই। ঘৰলৈ আহি ভাত কেইটামান খাই সি শুই পৰিল। টোপনিও ধৰিছিল তাৰ।

... কে-ৰে-ৰেক। দুৱাৰখন খোল খালে। প্ৰত্যেকৰেই লক্ষ্য দুৱাৰখনলৈ। May I come in Sir ? Yes, Yes. Thank You Sir. মই বহিব পাৰোঁনে চাৰ। অ' বহা বহা। এনেকৈয়েই আৰম্ভ হৈছিল তাৰ ইণ্টাৰভিউ ৰ। ইণ্টাৰভিউৰ অন্তত তাক কোৱা হ'ল তুমি ইণ্টাৰভিউত পাছ কৰিছা। তুমিঅহা পাঁচ তাৰিখে আহিবা। Thank You Sir.

আজি পাঁচ তাৰিখ। বিকাশৰ গাত তৰণি নাই। মাকে দিয়া আশীৰ্বাদকণ লৈ ওলাল। তাৰ বাবে এক ছেকেণ্ডৰ মূল্যও যেন বহু বেছি। সি ঘড়ীটোলৈ চাইছে আৰু খোজ পেলাইছে। আগুৱাই যোৱাৰ প্ৰতিযোগিতাত সিয়ো যেন এজন সফল প্ৰতিদ্বন্দ্বী। লগত সেই চাকৰি বিচাৰি ফুৰা জৰা-জীৰ্ণ ফাইলটো। সি ভাবিলে এইবাৰ এটা নতুন ফাইল কিনিব লাগিব।

বিকাশে লাহেকৈ দুৱাৰখন খুলিলে। May I come in Sir ? অ' আহা আহা। বহা বহা। Con-gratulation Mr. Bikash. এয়া লোৱা তোমাৰ এপইণ্টমেণ্ট লেটাৰ। Thank You so much Sir, thank you.

বিকাশ আনন্দত আত্মহাৰা হৈ পৰিছে। কথাটো যেন তাৰ নিজৰ বাবেই কিবা সপোন সপোন লগা। সি খৰখেদাকৈ আহি বাছত উঠিল আৰু খালি চিত এটাত বহি পৰিল। ইয়াৰ পৰা সিহঁতৰ ঘৰলৈ বাছেৰে দুঘণ্টাৰ বাট। বাহিৰত তেতিয়া কিন্ কিনিয়া বৰষুণ পৰিছিল। আকাশখন মেঘাচ্ছন্ন। বিকাশৰ মন সাগৰত আনন্দৰ জোৱাৰ উঠিছে। সজীৱ হৈ উঠিছে আজি তাৰ মৃত প্ৰায় আশা বোৰ। প্ৰাণ পাই উঠিছে আশাৰ বালিঘৰৰ কম্পিত দেৱাল। ফাইল কভাৰখন বুকুৰমাজত লৈ সি এতিয়া এখন অন্য জগতত বিচৰণ কৰি ফুৰিছে। হয়তো কাৰোবাৰ এষাৰি মাতৰ আশাত আৰু কাৰোবাৰ অন্বেষণত।

"চাকৰি অবিহনে তোমাৰ স'তে মোৰ বিয়া অসম্ভৱ। মোৰ দেউতাক তুমি নাজানা বিকাশ। তোমাৰ আৰু মোৰ সম্বন্ধটো কিজানি বিধাতাই ইমানলৈয়ে লিখিছিল। please মোক বুজিবলৈ যত্ন কৰা।" নিমাৰ সেই কথাকেইষাৰ এতিয়াও স্পষ্ট মনত আছে তাৰ।

বিকাশ তেতিয়া স্নাতক প্ৰথমবৰ্ষৰ ছাত্ৰ। অন্তৰত পুহি ৰাখিছিল এক দুৰন্ত হাবিয়াস। উদ্দাম যৌৱনৰ অগা-ডেৱা সময় ছোৱাত প্ৰথম চিনাকী হৈছিল নৱাগতা নিমাৰ স'তে। ধুনীয়া মুখখনিৰে প্ৰাণ-চঞ্চলা নিমাজনী ষোড়শী। এক অবৰ্ণনীয় সন্মোহন। সময় যোৱাৰ লগে লগে নিমা আৰু বিকাশৰ মাজত গঢ়ি উঠিছিল বন্ধুত্ব। ক্ৰমান্বয়ে দুয়ো-দুয়োৰে সান্নিধ্য পাবলৈ ভাল পাইছিল। দুয়োৰে

মনত ওপজিছিল প্ৰৱল দিদৃক্ষা আৰু সেয়েই এদিন প্ৰেমৰ ৰূপ পাইছিল সংগোপনে।

এনেকৈয়েই পাৰ হ'ল তাৰ জীৱনৰ তিনিটা দশক। বিকাশে ততেই ধৰিব নোৱাৰিলে। মাথো ৰোমন্থন কৰি গ'ল নিজৰ সোণালী অতীত স্মৃতি বোৰ। বাছৰ অপ্ৰত্যাশিত থেকেচাঁ এটাত সি সম্বিত ঘূৰাই পালে।

বাছৰ পৰা নামি বিকাশে বেগাই খোজ ললে ঘৰলৈ বুলি। পদূলিৰ পৰাই চিঞৰি মাতিলে "মা, মই চাকৰি পাই গলো... মা"। বহুদিনীয়া পুঞ্জীভূত দুখ আঁতৰাৰ আশাত মাকৰ মুখখন জিলিকি উঠিল হাঁহিৰে। সি মাকক সাৱটি ধৰিলে। বহু অপেক্ষাৰ অন্তত ঘৰখনলৈ এক বুজাব নোৱাৰা আনন্দ আহিল। আজি আটাইয়ে সুখেৰে এসাজ খাব।

"মা তই পিছে ল'ৰা চাইছনে নাই? এইবাৰ এইজনীৰ কিবা এটা গত লগাব লাগিব নহয়। নে তয়েই কাবোবাক চাই থৈছ অ'?" বিকাশে ভনীয়েকক উদ্দেশ্যি কলে। "এহ্ মোৰ কথা এৰা, নিজৰ কথা এবাৰ ভাবি চোৱা " - ভনীয়েকে ক'লে। বিকাশে তাইক জ্বলাবলৈ আকৌ ক'লে- " তাৰ মানে ... ।" " অ' মা চোৱানা দাদাক। অ' মহাপ্ৰভূ তুমিহে মাৰ কাৰণে এজনী বোৱাৰী আৰু মোৰ কাৰণে এজনী নবৌ অনা।" তেনেদৰে কৈ ভনীয়েকে তাৰ ফালে চোঁচা ললে। কোঠাটো আটাইৰে হাঁহিত মুখৰিত হৈ পৰিল।

"দাদা অ' দাদা উঠা। বাতি পুৱাল। দোকানলৈ নোযোৱা নেকি? বেলি মূৰৰ ওপৰ পালে।" ভনীয়েকৰ চিঞৰ সি শুনিলে, তাক যেন কোনোবাই মাতিছে। "দাদা উঠা। অ' সপোন দেখিছা নেকি? উঠা ..." আকৌ চিঞৰ। সপোন! সপোন এইটোৱেই বোধহয় সঁচা। সি ভাবিলে। মোৰ দৰে ল'ৰাই কেৱল সপোনেইটো দেখিব পাৰোঁ, য'ত বাস্তৱৰ কোনো লক্ষণ নাপাও। এক অবৰ্ণনীয় দুৰ্বিসহতা। টকা নিদিয়াকৈ চাকৰি পোৱাৰ দিৱাস্বপ্ন। বিষাদৰ ক'লা ডাৱৰে আৱৰি ধৰিছে দিগ্বিদিক। সি যেন এটা ৰুদ্ধ কাৰাগাৰৰ ভিতৰত। আশাবোৰে কিৰিলি পাৰিছে। চকুত ভাঁহি উঠিছে সপোনৰ ভগ্নাৱশেষবোৰ। আৰু নিমা? নিমাই নিৰৱে উচুপিছে। তাই আনৰ হৈ যাব। জীৱন ভগ্নস্তুপৰ মাজত বিকাশ নিথৰ। এক অসহনীয় ত্ৰস্ত বিষন্নতা।


"দাদা, সোনকালে আহা। মই চাহ বাকিছো। নহলে চেঁচা পৰিব।" - আকৌ ভনীৰ চিঞৰ।

বিকাশ দোকানলৈ ওলাল। প্ৰত্যেক দিনৰ দৰেই আজিও বন্ধু মহলৰ আড্ডা চলিছে তাৰ দোকানৰ আগত। তাৰ বন্ধু দ্বীপ, কমল, বিজয় হঁতেও চাকৰি বিচাৰি শ্ৰান্ত-ক্লান্ত। আকৌ এজনে চিগাৰেট এটা হাতত লৈ এহাতে আগবঢ়াই দিলে এখন Employment news বিকাশলৈ।

> **ৰাতি যিমানে কঠিন হ'ব প্ৰভাত সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আৱৰি ৰাখিলেও ভয় নকৰিবা, প্ৰভাত হ'বই।**
>
> --- জ্যোতিপ্ৰসাদ
>
> **ভুল বা দোষ স্বীকাৰ কৰাটো বাঢ়নীৰে জাৱৰ সাৰি নিয়াৰ নিচিনা আৰু আটাইতকৈ বেছি পৰিস্কাৰকৈ সৰা ঠাই ডোখৰৰ দৰে হয়।**
>
> --- মহাত্মা গান্ধী

# নেপথ্য

শ্রীসদানন্দ ৰাভা
স্নাতক ১ম বর্ষ (কলা)



বাছখন নির্দিষ্ট স্থানত ৰখোৱাত অনিচ্ছা সত্বেও সেউতীয়ে যাত্রীৰ ভীৰ ঠেলি নামি আহিল। পূর্বৰ চিনাকি ঠাইবোৰকে অচিন ঠাই যেন অনুমান হ'ল। বিশ বছৰৰ ভিতৰত ষ্টেচনটোৰ বহুত পৰিবর্তন ঘটিছে। দোকান এখনৰ ওপৰত থকা চাইনবোর্ড এখনলৈ চাই থমকি ৰ'ল। এৰা ঠাইৰ নামটো একেই আছে। ইমানবোৰ পৰিবর্তনৰ মাজতো সেই শব্দ কেইটা কোনেও মচি পেলাব পৰা নাই। এখোজ দুখোজকৈ তাই সৰু লুং-লুঙীয়া শিল ইটাৰে সজোৱা পথটোৰে আগবাঢ়িল। কিছুদূৰ আগবঢ়াৰ পিছত তাই হঠাতে থমকি ৰ'ল। দূৰৰ পৰা বিয়া গীতৰ কলি ভাহি আহি তাইৰ কাণত পৰিল। তাইৰ গাত আনন্দৰ ৰেখা বিৰিঙি উঠিল। ইমান সুমধুৰ বিয়াগীতৰ কলিবোৰ .....। কোনপিনৰ পৰা সেই গীতৰ সুৰবোৰ ভাহি আহিছে তাই অনুমান কৰিবলৈ চেষ্টা কৰিলে। এৰা মণ্ডলহঁতৰ পাৰাখনৰ পৰাই এই সুৰবোৰ ভাঁহি আহিছে। তাই এটা বেলেগ আমেজ অনুভৱ কৰিলে। বিয়াগীতৰ সুৰৰ লগত সুৰ মিলাই তাইও গাবলৈ আৰম্ভ কৰিলে। এনেতে দুজনমান সৰু ল'ৰাই "এইজনী পাগলী - এইজনী পাগলী" বুলি কৈ কৈ ওচৰেৰে দৌৰ মাৰি গুচি গ'ল। সেউতীয়ে বৰ লাজ পালে। মনতে ভাবিলে নিশ্চয় বিয়া আছে। কিছুদূৰ আগবঢ়াৰ পিছত যেতিয়া বেণ্ডপার্টিৰ ড্রামছেটৰ শব্দ শুনিলে তাই তেতিয়া একেবাৰে নিশ্চিত হ'ল। মনটো একেবাৰে পাতল পাতল লাগিল। তাই আৰু আজি ভিক্ষা মাগি নুফুৰে। বিয়াঘৰতে ভালকৈ এসাজ খাব। দূৰৈৰ পৰাই মণ্ডলহঁতৰ ঘৰৰ ওচৰৰ ভূপেন মৌজাদাৰৰ ঘৰত বিয়াৰ ৰভা দেখা পাই তাইৰ গাটো জিকাৰ খাই উঠিল। ৰং-বিৰঙৰ কাপোৰৰ সাজসজ্জাই গোটেই পৰিবেশটোকে সৌন্দর্যময় কৰি তুলিছে। তাই নিজৰ কাপোৰ-কানিখিনি কিছু পৰিপাতি কৰি লোৱাৰ চেষ্টা

কৰিলে। কিন্তু তাইৰ শৰীৰটো ভালকৈ আৱৰিবৰ বাবে ফটা শাৰীখন উপযুক্ত নাছিল।

পদুলিয়েদি প্ৰৱেশ কৰা মানুহবোৰৰ পোছাক-পৰিচ্ছদ দেখি তাই সংকোচ বোধ কৰিছিল আৰু বিষন্ন চিন্তাই আৱৰি পেলাইছিল যদিও অৱশেষত লাহে লাহে একেটি পথেৰে প্ৰৱেশ কৰিছিল। ৰভাতলিত অইন মানুহবোৰক আদৰ-আপ্যায়ন কৰাৰ দৰে তাইকো তেনে কৰাৰ প্ৰয়োজন নহ'ল, চাই-চিতি কাষৰ লাইনৰ এখন চকীত নিজেই বহি পৰিল। তাই লক্ষ্য কৰিলে পৰিয়ালটোৰ বহুত পৰিবৰ্তন ঘটিছে। ঘৰ দুৱাৰবোৰ আগতকৈ উন্নতমানৰ হৈছে। পূৰ্বৰ গোসাঁই ঘৰটো নতুনকৈ শিল ইটাৰে বন্ধাইছে। এটা এটাকৈ সকলোবোৰ পৰিবৰ্তন তাই লক্ষ্য কৰিলে। ৰভাতলিত বহা মানুহবোৰক তাই ভালকৈ লক্ষ্য কৰিলে। লংপেণ্ট চাৰ্ট পিন্ধা ল'ৰা এটাই দুহাতত গছৰ পাতৰ মালা পিন্ধি আলহীবোৰক আদৰ সম্ভাষণ জনাই তামোল-পাণ যোগান ধৰিছে। অনুমানতে ধৰিলে নিশ্চয় জোনমণি হ'ব। তাৰ হাঁহিটো তাইৰ সৰুৰে পৰা চিনাকি। পূবৰ ঘৰটোৰ পৰা ওলাই অহা বেনী গঁঠা ছোৱালীজনী নিশ্চয় আইমণি হ'ব লাগিব। এৰা ঠিকেই, কোনোবাই তেনেকৈয়ে মাতিছে। দাড়ি-চুলিৰে ভোবোকাৰ সৌজনেই বোধহয় পোনাকণ। কিয়নো ইতিমধ্যে কোনো কোনোৱে "পোনা পোনা" বুলি মতা দুবাৰমান শুনিলেই। এনেকৈয়ে এটা এটাকৈ ঘৰখনৰ আটাই কেইটাকে চিনাত তাইৰ অসুবিধা নহ'ল। সৰুৰ পৰাই দেখি আহিছে দম্পত্তিহালক ; একেই আছে।

এটা সময়ত জোনমণি মানে দৰাই তামোল-পাণৰ বটাটো লৈ সেউতী থকা লাইনটোলৈ গ'ল। সি. তাইৰ ওচৰত থকা তিৰোতাজনীক তামোলচালি যঁচাৰ সময়ত মনতে ভাবিছিল, জোনমণিয়ে তাইকো তামোল এখন দিব আৰু তাই আগ্ৰহেৰে খাব। কিন্তু তেনে কোনো লক্ষণ নেদেখি নিজেই লওঁ বুলি হাত আগবঢ়ায়ো তামোল এখন লবলৈ সমৰ্থ নহ'ল। ইতিমধ্যে জোনমণি আঁতৰি গ'ল। ইমানবোৰ মানুহৰ মাজত তাইৰ খুব লাজ লাগিল। তাই তামোল এচালি খাব পৰাকৈ দাঁত দুপাৰি যে বেমাৰত সৰিল সেই কথা মনতে অহা নাছিল। নিজৰ অৱস্থাৰ কথা মনলৈ অহাত তাই কিংকৰ্তব্যবিমূঢ় হ'ল। ওচৰৰ মানুহবোৰে তাইৰ অৱস্থাটো দেখি কোনোমতেহে নহঁহাকৈ থাকিল।

ৰভা তলিত বহু সময় বহি থকা সত্ত্বেও কোনো এজন মানুহে তাইক কোনো ধৰণৰ সোধ-পোচ নকৰিলে। বিয়াঘৰৰ কাম-কাজ নিয়াৰিকৈ কৰিবৰ বাবে কিছুমান লোকক নিৰ্দিষ্ট দায়িত্ব দিয়া তাই দেখিলে। কেইজনমান ল'ৰাই ৰভাতলিত আহি নতুনকৈ বহা লোকসকলক চিনাক্ত কৰি আন এখন ঠাইলৈ লৈ যায়। কিছুসময় পিছত সেইকেইজন ব্যক্তি পুনৰ উভতি আহে, কিছুমানে পুনৰ বহে বা কিছুমানে চিধাই পদুলিৰে ওলাই যায়গৈ। বাৰে বাৰে একেটা দায়িত্বকে পালন কৰা সেই ল'ৰা কেইজন তাইৰ একেবাৰে চিনাকি হ'ল। কিন্তু কোনো এজন ল'ৰায়ে তাইৰ প্ৰতি দৃষ্টি নিদিলে।

কিছু সময়ৰ পিছত দুজনী তিৰোতাই আহি তাইৰ ওচৰৰ চকী দুখনত বহিলে। তাই তিৰোতা দুজনীক দেখিয়ে বুজি পালে যে দুয়োজনী মধ্যবিত্ত পৰিয়ালৰ। পিন্ধনত পাটৰ কাপোৰ। গতিকে বেচ গহীন-গম্ভীৰ লাগিছে। তাই মাত লগালে - "আপোনালোক চাগে এইমাত্ৰ আহিল"।

"অ এইমাত্ৰ আহিলো ।"

"ঘৰনো ক'ত -"

"ৰংদিয়াত"

গাঁওখনৰ নাম শুনি তাইৰ চিনাকি চিনাকি লগা মাইকী মানুহ দুজনীক ভালদৰে লক্ষ্য কৰিলে। তাই ঠিকেই ধৰিছে। গাঁওবুঢ়াৰ বোৱাৰীয়েক দুজনীয়েই হ'ব লাগিব।বয়সৰ চাপ পৰিলেও ডিঙিত ওলমি থকা দুগদুগী আৰু গলপতা দুযোৰ তাহানিতে দেখা মনত পৰে। সেই দুযোৰত সময়ৰ কোনো চাপ পৰা নাই, একেদৰেই জিলিকি আছে।

"গাঁওবুঢ়া দেউতা ঘৰৰ হয়নে ?"

"অ"